**63/1 (SEM–4) ASM HC 4106 (CC 10)**

**2022**

ASSAMESE

Paper : CC–10

**( Study on Assamese Language )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰ দিয়া : ১×৬=৬

(ক) ভাৰতীয় আৰ্য-শাখাৰ লোকসকল কোন ভাষা-পৰিয়ালৰ অন্তৰ্ভুক্ত ?

*(i)* ইউৰাল-আলটাই

*(ii)* অষ্ট্ৰিক

*(iii)* ইণ্ডো-ইউৰোপীয়

*(iv)* দ্ৰাবিড়

(খ) ভাৰতীয় আৰ্য ভাষাৰ স্তৰ কেইটা ?

*(i)* চাৰিটা *(ii)* দুটা

*(iii)* পাঁচটা *(iv)* তিনিটা

(গ) 'শূন্য পুৰাণ'ৰ ৰচক কোন?

*(i)* ৰামাই পণ্ডিত

*(ii)* বড়ু চণ্ডীদাস

*(iii)* হৰিবৰ বিপ্ৰ

*(iv)* কবি পীতাম্বৰ

(ঘ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা?

*(i)* ১২টা

*(ii)* ১০টা

*(iii)* ৭টা

*(iv)* ৮টা

(ঙ) 'ইণ্ডো-ইউৰোপীয়' নাম প্ৰতিষ্ঠা কৰা ভাষাতাত্ত্বিক গৰাকীৰ নাম কি?

*(i)* মেক্সমুলাৰ

*(ii)* গ্ৰীয়াৰ্ছন

*(iii)* থমাছ য়ুং

*(iv)* ছাৰ উইলিয়াম জোনচ

(চ) অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন কি?

*(i)* শূন্য পুৰাণ

*(ii)* মনকৰৰ মনসা কাব্য

*(iii)* বভ্ৰুবাহনৰ যুদ্ধ কাব্য

*(iv)* চৰ্যাপদ





২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) অসমত প্ৰধানত কেইটা ভাষাগোষ্ঠীৰ ভাষাৰ প্ৰচলন আছে?

(খ) অপভ্ৰংশৰ স্তৰ দুটা কি কি?

(গ) এছকোলিয়ে ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক কি কি দুটা ভাগত ভাগ কৰিছে?

(ঘ) 'অসমীয়া ভাষাৰ মূল মাগধী প্ৰাকৃত' ইয়াৰ সপক্ষে যুক্তি আগবঢ়োৱা দুজন পণ্ডিতৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনি কেইটা আৰু কি কি?

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) প্ৰাকৃত নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰাকৃত বুলি কোনটো প্ৰাকৃতক বিবেচিত কৰা হয়? এই প্ৰাকৃতৰ বিষয়ে চমুকৈ লিখা।

(গ) অপভ্ৰংশৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য পাঁচটা লিখা।

(ঘ) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ তালিকা প্ৰস্তুত কৰা।

(ঙ) মাগধী প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ চমুকৈ লিখা।

(চ) চৰ্যাপদৰ ভাষা সম্পৰ্কে এটি টোকা লিখা।

(ছ) তিব্বত-বৰ্মী ভাষা-পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰা।

(জ) অসমীয়া ভাষালৈ মিচনেৰীসকলে আগবঢ়োৱা অৰদান পাঁচটা লিখা।

(ঝ) কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

(খ) অসমীয়া ভাষালৈ আৰ্যভিন্ন ভাষাৰ উপাদান সম্পৰ্কে কি জানা, লিখা।

(গ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) অসমীয়া ভাষাৰ উপভাষাৰ বিষয়ে বহলভাৱে আলোচনা যুগুত কৰা।

(খ) অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে সবিশেষ লিখা।

★★★